# সুৰমাৰ গঙাচিলনী

ড° ভূপেন শইকীয়া



আঠ

হেমাংগ শ্বিলঙত কিছুদিন থাকিবলগীয়া হ'ল। এইখিনি সময়তে বংগদেশৰ পাৰ্টিক বে-আইনী কৰাৰ প্ৰতিবাদত শ্বিলং পাৰ্টি কমিটিয়ে স্থানীয় অপেৰা হলত এখন জনসভাৰ আয়োজন কৰিলে। হেমাংগ হ'ল একমাত্ৰ বক্তা। সভাত তেলেংগানাৰ কৃষক বিদ্ৰোহৰ পৰিপ্ৰেক্ষিতত চৰকাৰে গ্ৰহণ কৰা দমনমূলক ব্যৱস্থাৰ বিৰোধিতা কৰা হ'ল। পাছদিনা ৰাতিপুৱাই হেমাংগ জ্যোতিপ্ৰসাদক দেখা কৰিবলৈ আহিল। জ্যোতিপ্ৰসাদ চিকিৎসাৰ বাবে গোপনে শ্বিলঙলৈ আহিছে। খবৰ পাই হেমাংগই লাইনখ্বাত পি ছি ৰায়ৰ বাংলোৰ বিপৰীত ফালে থকা এটা ঘৰত দেখা কৰিলেহি। আহোঁতে কডৱেলৰ 'ষ্টাডিজ ইন এ ডায়িং কালচাৰ' গ্ৰন্থখনো লৈ আহিছিল। জ্যোতিপ্ৰসাদে বিছনাত তেতিয়া জিৰণি লৈ আছে। দৈহিক অৱস্থা প্ৰায় অচল। অস্থিচৰ্মসাৰ শৰীৰটো দেখি হেমাংগৰ দুখ লাগিল। তথাপি নিজৰ মনৰ ভাব ঢাকি ৰাখি সুধিলে—"কেনে আছে?"

"বৰ দুৰ্বল হৈ আছোঁ। চিকিৎসকে দিয়া ঔষধ খাইছোঁ। আৰু কিছুদিন হয়তো ভুগিব লাগিব।"

"চিন্তা নকৰিব; ভাল হ'ব। মই আপোনালৈ এখন কিতাপ আনিছোঁ। পঢ়িব; মনটো ভাল লাগিব। পাছত কডৱেলৰে 'ইলুশ্যন এণ্ড ৰিয়েলিটি' কিতাপখনো পঠাই দিম।"

"ভাল বাৰু, ইয়াত সংঘৰ কাম কেনে চলিছে?"

"সভাপতি নলিনী মিশ্ৰ আৰু যুটীয়া সম্পাদক বিজন ৰয় আৰু হিৰু দত্তৰ পৰিচালনাত শ্বিলং শাখাৰ কাম ভালেমান আগুৱাই গৈছে। ছাঁ নাটক 'তিৰুৎ সিং' প্ৰদৰ্শন কৰা হৈছে। বিস্মৃত বুৰঞ্জীৰ পাতৰ পৰা উদ্ধাৰ কৰি ব্ৰিটিছ বিৰোধী খাছিয়া বীৰৰ জীৱন আৰু সংগ্ৰামখিনি দাঙি ধৰা বাবে বৰ সমাদৰ পাইছে। একেদৰে বিদ্ৰোহী জয়ন্তীয়া নেতা 'কিয়াং নাংবা'ৰ বিষয়েও ছায়ানাট কৰা হৈছে।"



"কিয়াং নাংবাক জানো জোৱাই চহৰত ফাঁচি দিয়া নাছিল?" —জ্যোতিপ্ৰসাদে জানিব খুজিলে।"

"হয়, ব্ৰিটিছে বিগত শতাব্দীতে ফাঁচি দিছিল।"

"বীৰসকলৰ জীৱনগাঁথা প্ৰদৰ্শন কৰাটো বৰ ভাল কাম হৈছে। ময়ো 'কনকলতা'ৰ জীৱনভিত্তিক এখন নাট ৰচনাৰ কামত হাত দিছিলোঁ। নাজানো শেষ কৰিব পাৰিম নে নাই।"

"নিশ্চয় পাৰিব। মনৰ জোৰ কমাই নিদিব।"

"এৰা, বহুত কাম কৰিবলগীয়া আছে। বহুত কথা হয়তো নতুনকৈ ভাবিবলগীয়া হ'ব। মোৰ ভগ্ন দেহাটো হ'ল মোৰ ক্ষয়িষ্ণু সমাজ—মোৰ হৃদয় হ'ল আগামী সমাজ আৰু মোৰ মস্তিষ্ক—এই দুয়োৰে ৰণস্থল।" —কথাখিনি কৈ জ্যোতিপ্ৰসাদে ঘন ঘনকৈ উশাহ ল'লে। অৱস্থাটো দেখি হেমাংগ চিন্তান্বিত হ'ল। ইমান কষ্ট পাই আছে মানুহজনে অথচ মুখত দুশ্চিন্তাৰ কোনো ছাপ নাই! কি অদ্ভুত শক্তি! অলপ সকাহ দিবলৈকে হেমাংগই ক'লে—"আপোনাৰ স্বাস্থ্য ভাল হ'লেই আমি কথাবোৰ দীঘলীয়াকৈ আলোচনা কৰিম। এতিয়া অলপ জিৰণি লওক।"

"জিৰণি ল'বলৈ সময় ক'ত? দেশৰ স্বাধীনতাৰ বাবে সংগ্ৰাম কৰিলোঁ। কমিউনিষ্টসকলেও জানো সংগ্ৰামত অংশ গ্ৰহণ কৰা নাছিল? তেনেহ'লে কিহৰ বাবে স্বাধীনতাক সন্দেহ কৰিবলগীয়া হৈছে? কিয় নিৰ্যাতন মূৰ পাতি ল'বলৈ ওলাইছে? স্বাধীন চৰকাৰে চোৰাং কাৰবাৰীক ইমানদিনে উঘালি পেলাব পৰা নাই কিয়? কৃষক-শ্ৰমিকৰ হকে যুঁজ দিয়া কমিউনিষ্টসকলকহে শত্ৰুজ্ঞান কৰিছে কিয়? এইবোৰ কথাৰ উত্তৰ বিচাৰিব লাগিব। সংঘই হাত সাবটি বহি থাকিব নোৱাৰে। বাৰু, কলিকতাত হৈ যোৱা পাৰ্টি কংগ্ৰেছত কি সিদ্ধান্ত ল'লে? কলিকতীয়া কাকতবিলাকত কমিউনিষ্টসকলে সশস্ত্ৰ সংগ্ৰামৰ সিদ্ধান্ত লোৱা বুলি ওলোৱা বাতৰি সঁচানে?"

"তেলেংগানাৰ কৃষক বিদ্ৰোহক সমৰ্থন কৰাৰ বাবেই এনে বাতৰি প্ৰকাশ কৰিছে।" —হেমাংগই এটা কৌশলগত উত্তৰ দিলে।

"তাত আপত্তি কৰিবলগীয়া কি আছে? সেই বুলিয়েই দমন-